# MISSION SAGAR: A major Milestone in India's Engagement with IOR Countries

July 01, 2020

# মিছন সাগৰঃ আই.অ.আৰ. দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্কৰ ক্ষেত্ৰত এক প্ৰমূখ মাইলৰ খুঁটি

**জুলাই** 01, 2020

1. ভাৰত মহাসাগৰীয় ক্ষেত্ৰত 'মিছন সাগৰ'ৰ বাবে নিয়োজিত আই.এন.এছ. কেশৰীয়ে সুদীৰ্ঘ ৫৫ দিনৰ অন্তত ৭৫০০ সমূদ্ৰ মাইল দূৰত্ব অতিক্ৰম কৰি 28 জুন, 2020 তাৰিখে ভাৰতত আহি উপস্থিত হয়হি।

2. 10 মে, 2020 তাৰিখে শুভাৰম্ভ কৰা 'মিছন সাগৰ' হৈছে ভাৰত মহাসাগৰীয় ক্ষেত্ৰৰ অন্তৰ্গত দেশ সমূহলৈ কভিড-19 সম্বন্ধীয় সহায়তা প্ৰেৰণৰ উদ্দেশ্যে ভাৰতবৰ্ষই গ্ৰহণ কৰা এক বিশেষ পদক্ষেপ। এই অভিযানৰ অংশ হিচাপে, আই.এন.এছ. কেশৰীয়ে সফলতাৰে মালদ্বীপ, মৰিছাছ, মাডাগাস্কাৰ, কম'ৰ'ছ আৰু ছিছিলিছ আদি দেশসমূহ ভ্ৰমণ কৰি সাগৰীয় চুবুৰীয়া ৰাষ্ট্ৰ কেইখনক কভিড পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সহায়তা প্ৰদান কৰে। ভাৰতৰ এই মানৱীয় সহায়তাৰ ভিতৰত আছে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী যোগান, ঔষধ, আয়ুৰ্বেদিক ভেষজ আদিৰ যোগান আৰু লগতে মৰিছাছ আৰু কম'ৰ'ছলৈ চিকিৎসা সহায্য দল প্ৰেৰণ।

3. ভাৰত মহাসাগৰীয় ক্ষেত্ৰৰ দেশসমূহৰ সৈতে জড়িত হোৱাৰ দিশত 'মিছন সাগৰ' হৈছে এক প্ৰমূখ মাইলৰ খুঁটি স্বৰূপ, যি প্ৰধানমন্ত্ৰী গৰাকীৰ 'সাগৰ- সুৰক্ষা আৰু এই সমগ্ৰ ক্ষেত্ৰৰ অন্তৰ্গত সকলো ৰাষ্ট্ৰৰ উন্নয়ন' সম্বন্ধীয় দৃষ্টিকোণৰ অনুৰূপ।

4. এই অভিযানৰ প্ৰতি সঁহাৰি জনাই মালদ্বীপ গণৰাজ্য, মৰিছাছ গণৰাজ্য, মাডাগাস্কাৰ গণৰাজ্য, কম'ৰ'ছ সংঘ আৰু ছিছিলিছ ৰাষ্ট্ৰই যি উষ্ম আদৰণি জনালে আৰু লগতে পৰিবহনমূলক সহায় আগবঢ়ালে, বৈদেশীক পৰিক্ৰমা মন্ত্ৰণালয়ে এই সহায়তা আৰু একতাৰ বাবে আটাইকেইখন ৰাষ্ট্ৰৰ বাৰুকৈ সলাগ লয়।

**নতুন দিল্লী**
**জুলাই 01, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.